জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নংঃ ৭৮০/২০২০**

**পুনৰ অনুষ্ঠিত আৰক্ষী উপ-পৰিদৰ্শকৰ পৰীক্ষা সুকলমে অনুষ্ঠিত কৰাৰ বাবে পৰীক্ষাৰ দায়িত্বত থকা সংশ্লিষ্ট সকলো পক্ষক ধন্যবাদ জ্ঞাপন কৰিলে মুখ্যমন্ত্ৰীয়ে**

# মেধা সম্পন্ন ছাত্ৰ-ছাত্ৰীসকলে যোগ্যতাৰ ভিত্তিত নিযুক্তি লাভ কৰাটো সুনিশ্চিত কৰিব বিচাৰিছে ৰাজ্য চৰকাৰে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২২ নৱেম্বৰ ঃ** অসম আৰক্ষীৰ উপ-পৰিদৰ্শক পদৰ বাবে পুনৰ অনুষ্ঠিত পৰীক্ষা সুকলমে অনুষ্ঠিত হৈ যোৱাৰ বাবে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে ডিব্ৰুগড় বিশ্ববিদ্যালয়, ৰাজ্যিক পৰ্যায়ৰ আৰক্ষী নিযুক্তি পৰিষদৰ অধ্যক্ষ তথা আৰক্ষী সঞ্চালক প্ৰধান, জিলা প্ৰশাসন, আৰক্ষী প্ৰশাসন, পৰীক্ষাৰ লগত জড়িত সমূহ বিষয়া-কৰ্মচাৰীক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে। পৰীক্ষা সুকলমে অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত জনসাধাৰণে আগবঢ়োৱা সহায়-সহযোগিতাৰ বাবেও মুখ্যমন্ত্ৰীয়ে অসমবাসীক ধন্যবাদ জ্ঞাপন কৰে।

আজি এক বিবৃতিযোগে মুখ্যমন্ত্ৰী সোণোৱালে কয় যে আৰক্ষী উপ-পৰিদৰ্শকৰ বাবে অনুষ্ঠিত হোৱা পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিল হোৱাৰ পিছতে ৰাজ্য চৰকাৰে তাৎক্ষণিক পদক্ষেপ গ্ৰহণ কৰি পৰীক্ষা বাতিল কৰে আৰু আৰক্ষী প্ৰশাসনক কঠোৰ পদক্ষেপ গ্ৰহণ কৰাৰ বাবে নিৰ্দেশ দিয়ে। ইয়াৰ পিছতে আৰক্ষীয়ে প্ৰশ্নকাকত ফাদিলৰ লগত জড়িত সকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিছে। ৰাজ্য চৰকাৰে প্ৰশ্নকাকত ফাদিল হোৱাৰ পিছতে অতিশীঘ্ৰে পৰীক্ষা অনুষ্ঠিত হ'ব বুলি ঘোষণা কৰি আজি সেই পৰীক্ষা সমগ্ৰ ৰাজ্যখনতে সুকলমে অনুষ্ঠিত কৰিছে। তেওঁ কয় যে ৰাজ্য চৰকাৰে আৰম্ভণিৰে পৰা মেধা সম্পন্ন ছাত্ৰ-ছাত্ৰীসকলে যাতে মেধাৰ ভিত্তিত চাকৰি লাভ কৰিব পাৰে তাক সুনিশ্চিত কৰাৰ বাবে দৃঢ় পদক্ষেপ গ্ৰহণ কৰি আহিছে। ইয়াৰ ফলত যোৱা চাৰে চাৰি বছৰত ৮০ হাজাৰতকৈও অধিক যুৱক-যুৱতীয়ে সম্পূৰ্ণ মেধাৰ ভিত্তিত চাকৰি লাভ কৰিবলৈ সক্ষম হৈছে। মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্য চৰকাৰে শাসনভাৰ লোৱাৰে পৰা সকলো ধৰণৰ অনিয়ম তথা দুৰ্নীতিৰ বিৰুদ্ধে কঠোৰ স্থিতি গ্ৰহণ কৰি আহিছে। মেধা সম্পন্ন ছাত্ৰ-ছাত্ৰীসকলে যাতে নিজৰ মেধাৰ ভিত্তিত চাকৰি লাভ কৰিব পাৰে সেইটো সুনিশ্চিত কৰাৰ দিশত ৰাজ্য চৰকাৰে গুৰুত্ব প্ৰদান কৰিছে আৰু ভৱিষ্যতেও গুৰুত্ব প্ৰদান কৰি যাব।

উল্লেখ্যযোগ্য যে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ দ্বাৰা আৰক্ষী উপ-পৰিদৰ্শকৰ বাবে হোৱা পৰীক্ষা আজি ৰাজ্যখনৰ ১৫০ টা কেন্দ্ৰত সুকলমে অনুষ্ঠিত হয়। কালি নিশা পৰ্যন্ত প্ৰায় ৬৫ হাজাৰ যুৱক-যুৱতীয়ে এই পৰীক্ষাৰ বাবে এডমিট কাৰ্ড ডাউনল'ড কৰিছিল।

**পুঃডেঃ / বঃভাঃ**
**২২/১১/২০২০**